নেদেখি সি আহত হ'ল। কিয় তাই তাৰ লগত অচিনাকিৰ দৰে ব্যৱহাৰ কৰিছে? সৰুকালৰ ছবিবোৰ বহুতদিনৰ মূৰত ডেকাৰ চকুৰ আগেদি ছিনেমা এখনৰ দৃশ্যৰ দৰে ইখনৰ পিছত সিখনকৈ পাৰ হৈ গ'ল।

"খুৰাদেউ ক'ত? তেখেতেতো ৰিটায়াৰ কৰিলে? নে আকৌ ক'ৰবাত কাম কৰিছে?" সি বহোঁ-নবহোঁকৈ চকীখনত বহিল। ৰেণু থিয় হৈয়ে আছিল। সি কথা কৈ থাকোঁতে তাই তালৈকে চাই আছিল।

"তুমি বহুদিন অহা নাই এইফালে।" তাই তাৰ প্ৰশ্নৰ উত্তৰ নিদিলে।

"কিবাকিবি কাম কিছুমানত লাগি থাকিবলগীয়া হৈছিল। আহিম আহিম বুলি ভাবি থাকোঁতেই দিনবোৰ কেনেকৈ পাৰ হৈ গ'ল গমেই নাপালোঁ। ইচ্ছা কৰি নহাকৈ থকা নাছিলোঁ।" ডেকাৰ নিজকে অপৰাধী যেন লাগিল। ৰেণুৰ দৃষ্টিয়ে তাৰ বুকুলৈকে ভেদি গৈছিল। সি অস্বস্তি অনুভৱ কৰিলে। কিয় তাই এনেদৰে তালৈ চাই আছে?

"খুৰা-খুৰী ক'ত? আৰু তুমি কিয় থিয় হৈ আছা? নবহা নেকি?"

"আইক মাতি দিওঁ। তুমি বহা।" তাই চকু ঘূৰাই ভিতৰৰ কোঠালৈ সোমাই গ'ল। তাইৰ পিছে পিছে নিজেও ভিতৰলৈ সোমাই যোৱাৰ কথা ভাবিছিল ড° ডেকাই। সেইটোৱেই স্বাভাৱিক আছিল। কিন্তু ৰেণুৰ আজিৰ ব্যৱহাৰে তেওঁক অস্বস্তিত পেলাইছিল। যাওঁ বুলি উঠিও সেয়ে তেওঁ পুনৰ চকীখনতে বহি পৰিল।

শুধ বগা কাপোৰ সাজ পিন্ধি সুমলা ৰেণুৰ গাত ভেজা দি ওলাই আহিল। সেইফালে চাই ড° ডেকাৰ দুচকু থৰ হৈ গ'ল।

"কি ভাবি আহিলা আজি?" ডেকাৰ সন্মুখৰ চকীখনতে ৰেণুৱে মাকক বহুৱাই দিলে।

"এয়া কি হ'ল?" দুবাৰমান সেপ ঢোকাৰ পাছতহে মাত ওলাইছিল ড° ভুবন ডেকাৰ।

"চ'কৰপৰা বজাৰখন কৰি আনোগৈ বুলি ছাইকেলত উঠি ওলাই যোৱা মানুহজন ঘূৰি আহিল হস্পিটেলৰ এম্বুলেন্সত। হঠাতে মূৰ ঘূৰাই পৰি যোৱা মানুহজনক দোকানীকেইজনমানেই নি হস্পিটেল পোৱালেগৈ। দৰৱ-পাতি একোৰে প্ৰয়োজন নহ'ল। ডাক্তৰে নাড়ী চায়েই কৈ দিলে—'সব শেষ'। মানুহ জানো এনেকৈ নোহোৱা হৈ যাব লাগে?" সুমলাক শোকে খুন্দা মাৰি ধৰিলে।

"আই, আকৌ কিয় তেনে কৰিছে?" ৰেণুৱে মাকৰ মূৰটো তাইৰ বুকুত হেঁচা মাৰি ধৰিলে।

"মই গম পোৱা নাছিলোঁ।"

"খবৰ দিবলৈ কোনো নাছিল।" ৰেণুৱে মাকৰ মূৰটো পিহি আছিল।

"কিমানদিন হ'ল?"

"যোৱা সোমবাৰে ছমহীয়া হৈ গ'ল।"

"তথাপি মোক এটা খবৰ নিদিলা!" ডেকাৰ অভিমান হ'ল।

"তুমি আহিবা আহিবা বুলি ভাবি থাকোঁতেই খবৰ দিয়া নহ'ল। দেউতাৰ মৃত্যুৱে আইকো আধা মৰা কৰি থৈ গ'ল। দেউতাই আধা কৰি থৈ যোৱা কামবোৰ কৰিবলৈ আৰু মাৰ পৰি অহা স্বাস্থ্যৰ যত্ন ল'বলৈ মোৰ বাহিৰে আন কোনো নাই। তোমালৈ খবৰ দিয়াৰ কথা আয়ে কৈছিল।"

"কিয় নিদিলা?"

"তুমি আহিবা বুলি ভাবিছিলোঁ। দেউতাৰ মৃত্যুৰ খবৰ বাতৰিকাগজ কেইখনমানতো ওলাইছিল। তুমি দেখা নাছিলা?" এইবাৰ ৰেণুৰ মাতটো সামান্য কঠিন হৈ ওলাল। ডেকাই তলমূৰ কৰিলে। ৰেণুৱে ঠিকেই কৈছে। আহিব লাগিছিল তেওঁ এইখন ঘৰলৈ বহুত আগতেই। যিখন ঘৰ তেওঁৰ শৈশৱ আৰু কৈশোৰৰ আশ্ৰয়স্থল আছিল সেইখন ঘৰলৈ ইমানদিন নহাকৈ থকাটো তেওঁৰেই অপৰাধ।

ড° ডেকা বহাৰপৰা উঠি আহিল। সুমলাৰ মূৰটোৰপৰা ৰেণুৱে তাইৰ হাতখন আঁতৰাই আনিলে। চাদৰৰ আঁচলেৰে তাই তেওঁৰ চকু দুটা মচি দিলে। ড° ডেকাই সুমলাৰ সন্মুখত আঁঠু কাঢ়ি বহি বিধৱা মানুহজনীৰ সোঁহাতখন তুলি ল'বলৈ নিজৰ সোঁহাতখন আগবঢ়াই দিলে।

"আয়ে সোঁহাতখন দাঙিব নোৱাৰে।" চাদৰৰ তলত সোমাই থকা মাকৰ সোঁহাতখনলৈ চাই ৰেণুৱে ক'লে। দ্বিতীয়বাৰৰ বাবে ড° ডেকাৰ মুখৰ ৰং কেহৰাজ বটাৰ দৰে হ'ল।

"হে ভগৱান!" ড° ডেকাৰ মুখেৰে অস্ফুট উচ্চাৰণ হ'ল।

"আইক বিছনাত শুৱাই দিওঁগৈ। বেছি সময় বহি থাকিব নোৱাৰে তেওঁ।" ৰেণুৱে মাকৰ কান্ধত হাত থ'লে। ড° ডেকা থিয় হ'ল।

"ৰ'বা। ময়ে লৈ যাওঁ খুৰীক ভিতৰলৈ।"

"নালাগে। মই পাৰিম। এদিনৰ কাৰণে তোমাৰ সহায় মোক নালাগে।" ৰেণু কঠোৰ হৈ উঠিল। বজ্ৰাঘাত লগা মানুহৰ দৰে ডেকা ঠাইতে ৰৈ গ'ল। ৰেণুৱে মাকৰ বাহুত ধৰি বহি থকাৰপৰা উঠাই দিলে। সুমলা জীয়েকৰ গাত ভেজা দি থিয় হ'ল।

"তোমাৰ কথা সোধাই নহ'ল।" ভিতৰৰ কোঠালৈ যোৱাৰ সময়ত ক'লে সুমলাই।

"ইচ্ছা কৰিলে আইৰ কাষত গৈ বহিব পাৰা। মই চাহ কৰোঁগৈ।" সামান্য কুমলিল ৰেণুৰ মাত। এইষাৰ কথালৈকে বাট চাই আছিল ডেকাই। তেওঁ দুয়োজনী মানুহৰ পিছে পিছে গৈ সুমলাৰ শোৱনি কোঠাত সোমালগৈ।

মাকক বিছনাত শুৱাই দিওঁতে ড° ডেকাই সহায় কৰি দিলে। এইবাৰ ৰেণুৱে আপত্তি নকৰিলে। বৰ কাপোৰখনেৰে মাকৰ বুকুলৈকে ঢাকি দি ৰেণু চাহ কৰিবলৈ গ'ল। বিছনাৰ কাষতে থকা চকী এখন টানি লৈ ড° ডেকা শিতানৰ ফালে বহি পৰিল।

"তোমাৰ কথা কোৱা।" ওপৰলৈ মূ কৰি পৰি থকা সুমলাই ভুবন ডেকাৰ মুখলৈ চাই ক'লে।

ডেকাই পক্ষাঘাতগ্ৰস্ত মানুহজনীৰ অকামিলা সোঁহাতখনৰ ওপৰেদি নিজৰ সোঁহাতখন পিছলাই লৈ গ'ল। সুমলাই চকুৰ পলক নেপেলোৱাকৈ চাই আছিল। লাহে লাহে ডেকাৰ হাতখনে মানুহগৰাকীৰ সোঁ ভৰিখন স্পৰ্শ কৰিলে। সুমলাৰ কোনো প্ৰতিক্ৰিয়া নহ'ল।

"মোক ক্ষমা কৰি দিয়ক। ইমান ডাঙৰ এটা ঘটনা ঘটি গ'ল। কিয় মই গম নাপালোঁ? এবাৰ আপোনালোকৰ খবৰ ল'বলৈ আহিবলৈও মোৰ মনত নপৰিল। মোক ক্ষমা কৰি দিয়ক।" ডেকাই এইবাৰ সুমলাৰ বাঁওভৰিখন স্পৰ্শ কৰিলে। সুমলাই ভৰিখন কোঁচাই ল'লে।

"একো নহয়। যি হ'ব লগীয়া আছিল হৈ গ'ল। আগমুহূৰ্তলৈকে ছাইকেল কোবাই বজাৰ-সমাৰ কৰি ফুৰা মানুহজন পাছমুহূৰ্ততে এডোখৰ জগা কাঠ হৈ যাব এইকথা কোনে ভাবিছিল? মানুহজনক সেই অৱস্থাত দেখি মোৰো বুকুখনত কিহবাই শেল মাৰি ধৰিলে। চেতনা হেৰাল। যেতিয়া সাৰ পালোঁ তেতিয়ালৈ মোৰ শৰীৰৰ এফাল অসাৰ হৈ গ'ল। বাপেক নোহোৱা ছোৱালীজনীৰ ডিঙিত বৰ নোৰৰা বোজা হৈ জীৱন-মৃত্যুৰ দুৱাৰডলিত ওলমি থাকিলোঁ।" সুমলাৰ বাঁও চকুৰে এধাৰি চকুলো বাগৰি আহিল। কাষতে থকা গামোচাখনেৰে ডেকাই তেওঁৰ চকুপানীখিনি মচি দিলে।

"আই আপুনি আকৌ কান্দিছে?" বিস্কুট কেইখনমানৰে চাহ একাপ হাততে লৈ সোমাই অহা ৰেণুৱে ডেকাই মাকৰ চকুপানী মচি থকা দেখি সুধিলে।

"নাই অ' আই, কন্দা নাই। দেউতাৰলৈ মনত পৰিছে।" সুমলাই গাৰুটোত মূৰটো গুঁজি দিলে।

"লোৱা, চাহ খোৱা।" ৰেণুৱে দিয়া চাহকাপ ভুবন ডেকাই হাত পাতি ল'লে।

"খুৰী আৰু তোমাৰ কাৰণে?" চাহকাপ হাতত লৈ সুধিলে ড° ডেকাই।

"আমি অলপ আগতেহে চাহ খাইছিলোঁ। আয়ে ঘনে পতি চাহ খাব নোখোজে।" ৰেণু মাকৰ ভৰি পথানৰ ফালে বহিল।

"তুমি আজি থাকি যোৱা।" ডেকাই চাহখোৱা কাপটো ৰেণুৰ হাতত দিব খোজোঁতে সুমলাই মাত দিলে। ৰেণুৱে ডেকাৰ মুখলৈ চালে।

"নালাগে থাকিব। ব্যস্ত মানুহ। তাতে নতুনকৈ প্ৰিন্সিপাল হৈছে।